# ইয়াৰ ৪০০ বছৰৰ ভিতৰত খ্ৰীষ্ট ধৰ্ম্মৰ বিস্তাৰ

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন H4b পঢ়া উচিত।

১। **আপোনাৰ মণ্ডলীৰ লোকসকলক খ্ৰীষ্ট ধৰ্ম্মৰ ইতিহাস শিকাবলৈ আপুনি নিজকে প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে প্ৰস্তুত কৰক।**

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু যীচু, আপুনি পৃথিৱীত কি কৰিছে তাক ইতিহাসৰ পৰা জানিবলৈ আমাক সহায় কৰক।

**টোকা ঃ** যীচু মৃত্যু হৈ পুনৰ জী উঠাৰ ৪০০ বছৰৰ পিছত, এচিয়া আৰু ইউৰোপত থকা ৰোমীয় সাম্ৰাজ্যৰ অনেক চহৰ আৰু প্ৰদেশবোৰত খ্ৰীষ্টিয়ান বিশ্বাস বিয়পি পৰিছিল। ৰোমীয় শাসনকৰ্ত্তা সকলে প্ৰায়ে খ্ৰীষ্টিয়ান সকলক বাধা দিছিল আৰু অনেকক বধ কৰিছিল। তথাপি, যীচুৰে কোৱাৰ দৰে, যীচুৰ বিষয়ে শুভবাৰ্ত্তা ব্যাপ্ত হৈ গৈছিল।

যীচুৰে তেওঁৰ শুভবাৰ্ত্তা বিষয়ে কি কয় চাওক ঃ **মথি ২৪ঃ১৪; ২৮ঃ১৮** আৰু **পাঁচনিৰ কৰ্ম্ম ১ঃ৮**।

- কোন জাতি আৰু লোকসকলে শুভবাৰ্ত্তা শুনিব? *(মথি ২৪ঃ১৪)*
- জগত শেষ / অন্ত হোৱা আগেয়ে কি ঘটিব লাগিব? *(২৪ঃ১৪)*
- আন লোকবিলাকৰ মাজলৈ আমাক বিশ্বাসীসকলক পঠিয়াবলৈ কাৰ ক্ষমতা আছে? *(২৮ঃ১৮)*
- আমি ক'লৈ গৈ যীচুৰ নতুন অনুগামীসকল কৰিম? *(২৮ঃ১৯)*
- আমি ক'লৈ গৈ যীচুৰ নতুন শিষ্য কৰিব লাগে? *(২৮ঃ২০)*
- সাক্ষী হ'বলৈ আমি ক'লৈ যাব লাগে বুলি যীচুৰে কৈছে? *(পাঁচনি ১ঃ৮)*

**পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৯ - ৮ঃ৫** চাওক, মিশ্যনেৰীসকল নোহোৱাকৈ কেনেকৈ খ্ৰীষ্ট ধৰ্ম্ম ব্যাপি গৈছে ঃ

- স্তিফানৰ দৰে কিছুমান খ্ৰীষ্টিয়ানৰ কি ঘটিল? *(৭ঃ৫৯,৬০)*
- যিৰূচালেমৰ মণ্ডলীৰ লোকবিলাকৰ কি ঘটিল? *(৮ঃ১)*
- খ্ৰীষ্টিয়ানসকল ক'লৈ গৈছিল? *(১)*
- গোটেই খোৱা মণ্ডলীৰ লোকবিলাকক চৌলে কি কৰিছিল? *(৩)*
- আন আন নগৰবোৰত খ্ৰীষ্টিয়ানসকলে কি কৰিলে? *(৪-৫)*

**টোকা ঃ** চৌলে খ্ৰীষ্টক গ্ৰহণ কৰি এগৰাকী মিশ্যনেৰী / শুভবাৰ্ত্তা প্ৰচাৰক হৈছিল আৰু তেওঁৰ নাম সলনি কৰি পৌল হৈছিল। তাড়না দুই প্ৰকাৰৰ ঃ হিংসুক ব্যক্তিৰ দ্বাৰা খ্ৰীষ্টিয়ানৰ বিৰুদ্ধে অপৰাধী অত্যাচাৰ আৰু খ্ৰীষ্টিয়ান আইন বিষয়ক তাড়না, কাৰণ তেওঁবিলাকে যীচুক প্ৰেম কৰে।


**পাঁচনিৰ কৰ্ম্ম ১৪ঃ২১-২৩** চাওক, কেনেকৈ মিশ্যনেৰী সকলে খ্ৰীষ্টধৰ্ম্ম প্ৰচাৰ কৰিছিল ঃ

- কেনে ধৰণৰ ঠাইবিলাকলৈ মিশ্যনেৰী সকল গৈছিল? *(২১)*
- সেই নগৰবিলাকত তেওঁলোকে কি কৰিছিল? *(২২)*
- তেওঁলোকৰ বাৰ্ত্তাৰ বিষয়বস্তু কি আছিল? *(২৩)*
- কেনে প্ৰকাৰৰ নতুন সমাজ প্ৰত্যেক নগৰত তেওঁলোকে আৰম্ভ কৰিছিল? *(২৩)*
- কেনে ধৰণৰ চলাওঁতাসকলে সেই নতুন সমাজবিলাকৰ পৰিচৰ্য্যা কৰিছিল? *(২৩)*

**ৰোমীয়া ১৫ঃ১৮-২১** চাওক, তেওঁৰ মিশ্যনেৰী কাৰ্য্যৰ বিষয়ে পাঁচনি পৌলে কি লিখিছিল ঃ

- কোনে খ্ৰীষ্টৰ বাধ্য হৈছিল ? *(১৮)*
- পৌলৰ কামবোৰ কেনে প্ৰকাৰৰ আছিল? *(১৯)*
- যিৰূচালেমৰ পৰা তেওঁ ক'লৈ গৈছিল? *(১৯)*

- কেনেধৰণৰ ঠাইলৈ তেওঁ যাবলৈ ইচ্ছা কৰিছিল? *(২০)*
- অৱহেলিত লোকবিলাককলৈ ঈশ্বৰৰ প্ৰতিজ্ঞা কি? *(২১)*




ৰোমীয় সাম্ৰাজ্যৰ সকলোবোৰ ঠাইতে যীচুৰ শুভবাৰ্ত্তাৰ বিস্তাৰিত হৈছিল। খ্ৰীষ্টিয়ান বিলাকক বন্দী কৰি নিওঁতে ওচৰ চুবুৰীয়া মানুহ বিলাকৰ মাজত বিস্তাৰিত হৈছিল। যদিও অবিশ্বাসী শাসনকৰ্ত্তা সকলৰ দ্বাৰাই খ্ৰীষ্টিয়ান সকলক তাড়না কৰা হৈছিল, ৰোমীয় সাম্ৰাজ্যৰ সৰহ ভাগেই খ্ৰীষ্টিয়ান হৈছিল কাৰণ ঃ

- মহিলাৰ স্বাস্থ্য সুৰক্ষাৰ কাৰণে খ্ৰীষ্টিয়ান সকলে গৰ্ভপাতৰ প্ৰতিবাদ কৰিছিল।
- অনেকক জীয়াই ৰখাৰ সহায় কৰি খ্ৰীষ্টিয়ানে ৰোগীৰ শুশ্ৰূষা কৰিছিল।
- তেওঁলোকক মান-মৰ্য্যদা আৰু সুৰক্ষা দি, খ্ৰীষ্টিয়ান সকলে মহিলাক আদৰ সন্মান কৰিছিল।
- বিধৱা আৰু মাউৰা বিলাকক, খ্ৰীষ্টিয়ান সকলে আদৰি লৈছিল।
- নগৰীয়া জন সংখ্যক একত্ৰিত কৰি, খ্ৰীষ্টিয়ান সকলে জাতীয় মিলাপ্ৰীতি আগবঢ়াই নিছিল।
- উৰ্ব্বৰতা আৰু জীৱন-কাল বঢ়াই, খ্ৰীষ্টিয়ান সকলে বিবাহ বন্ধনত বিশ্বাসযোগ্য আছিল।
- মানুহৰ মান-সন্মান উন্নত কৰি, খ্ৰীষ্টিয়ান সকলে জীৱনৰ নিমিত্তে মনোযোগ দিছিল।
- পবিত্ৰ আত্মা আৰু অনুগ্ৰহেৰে জীৱন যাপন কৰি, খ্ৰীষ্টিয়ানসকলে জীৱনৰ নিমিত্তে মনোযোগ দিছিল।
- পবিত্ৰ আত্মা আৰু অনুগ্ৰহেৰে জীৱন যাপন কৰি, খ্ৰীষ্টিয়ান সকলে নতুন নিয়ম অনুসৰণ কৰিছিল।

## আলফাচ্ আৰু গটছ

প্ৰথম চাৰি শতিকাত, অ-ৰোমীয় লোকবিলাকে ৰোমীয় সাম্ৰাজ্যলৈ আহিবলৈ ধৰিছিল। গটছৰ ডকাইত বিলাকে আলফাচ্ নামৰ এজন ৰোমীয় যুৱকক বন্দী কৰি ৰুমানিয়াৰ দানুবি নদীৰ ওচৰৰ তেওঁবিলাকৰ সীমালৈ কঢ়িয়াই নিছিল। তাত সেই যুৱকজনে খ্ৰীষ্টিয়ান হৈছিল। পিছলৈ গটছ্ছে তেওঁক অধ্যয়ন কৰিবলৈ অনুমতি দিলে, আৰু তেওঁক টাৰকি কনচ্‌টেনটিনপুলৰ বিচপ্ ৰূপে উৎসৰ্গা কৰিছিল। আলফাছে গটছ্লৈ উলটি গৈ, তেওঁলোকৰ দৰে জীৱন নিৰ্বাহ কৰিবলৈ লৈছিল আৰু মালগাড়ীৰে এখন চহৰৰ পৰা আন এখনলৈ গৈ ৪০ বছৰ তেওঁলোকৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰিছিল। তেওঁৰ মৃত্যু হোৱা পূৰ্ব্বে ৩৮২ খৃষ্টাব্দত তেওঁ গটছ্ক এটা আখৰ দিছিল আৰু তেওঁবিলাকৰ নিমিত্তে বাইবেলৰ বহুখিনি তৰ্জ্জমা কৰি দিছিল। ৪১০ খৃষ্টাব্দত যেতিয়া গটছে ৰোমীয় সাম্ৰাজ্য দখল কৰিলে, তেওঁলোকৰ সৰহ সংখ্যকে খ্ৰীষ্টিয়ান আছিল। আনকি, তেওঁবিলাকে আনৰ সম্পত্তি সন্মানেৰে ৰাখিছিল আৰু তেওঁলোকৰ নৈতিক অতি ওখ খাপৰ আছিল।

## ৩১৩ খৃষ্টাব্দ বছৰটো


**Statue of Constantine**

৩০০ খৃষ্টাব্দত, সেই সাম্ৰাজ্যত অধিক খ্ৰীষ্টিয়ান হৈছিল, যে ৰোমীয় চৰকাৰে তেওঁলোকক তাড়না কৰা বন্ধ কৰিলে। সম্ৰাট কনচ্টেনটাইনে, খ্ৰীষ্টিয়ান ধৰ্ম্মক এক আইন সিদ্ধ ধৰ্ম্ম বুলি তেওঁৰ সহন গুণৰ ৰাজ আজ্ঞা ঘোষণা কৰিলে। এইয়ে খ্ৰীষ্ট ধৰ্ম্মৰ ওপৰত এক বেয়া প্ৰভাৱ পেলালে।

- অনেক খ্ৰীষ্টক বিশ্বাস নকৰা লোকবিলাকে মণ্ডলীত যোগ দিলে, যিহৰ দ্বাৰা মণ্ডলী প্ৰাণহীন হ'ল।
- খ্ৰীষ্টিয়ান মণ্ডলীবিলাকে ৰোমীয় সংস্কৃতিৰ নিয়মবিলাক গ্ৰহণ কৰিছিল।
- অ-ৰোমীয় দেশবিলাকে তেওঁলোকৰ খ্ৰীষ্টিয়ান সকলৰ প্ৰতি ৰাজদ্ৰোহী বুলি সন্দেহী হৈছিল।
- মণ্ডলী চলাওঁতা সকলে বিচাৰিছিল যে, অ-ৰোমীয় সংস্কৃতি গ্ৰহণ কৰিবলৈ তেওঁলোক বাপ্তাইজিত হ'ব লাগে।
- মণ্ডলী চলাওঁতা সকলে ঈশ্বৰ তত্ত্ব বিষয়ক জ্ঞান আৰু ৰাজনৈতিক ক্ষমতাৰ বিষয়ে তৰ্ক কৰিছিল।

**২। আগত অহা সপ্তাহৰ নিমিত্তে আপোনাৰ সহকৰ্ম্মী সকলৰ লগত আঁচনি কৰক।**

এই অংশত থকা কাম বিলাকৰ তালিকা একেলগে পঢ়ক - ১ম ভাগৰ প্ৰথম ৪০০ বছৰ। তাৰে এটা বা দুটা কৰিবলগীয়া কামবিলাক বাচি লওক, আৰু আপোনাৰ মণ্ডলীত এনে ধৰণৰ কামবোৰ আপুনি আৰু বিশ্বাসীসকলে কেনেদৰে কৰিব, আঁচনি কৰক।

তেওঁলোকৰ প্ৰয়োজন অনুযায়ী এই অধ্যয়ন অথবা আন বিষয়ৰ পৰা অতীজৰ মণ্ডলীৰ ইতিহাস সম্বন্ধে আপুনি প্ৰশিক্ষণ দিয়া অথবা শিকোৱা নতুন পালক সকলক লগ ধৰক।

**৩। হবলগীয়া উপাসনাৰ নিমিত্তে আপোনাৰ সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।**

পাঁচনিবিলাকে যীচুৰ শুভবাৰ্ত্তা কেনেকৈ বিলাইছিল আৰু খ্ৰীষ্টিয়ান ইতিহাসৰ প্ৰথম ৪০০ বছৰত বিশ্বাসীসকলে কেনেকৈ শুভবাৰ্ত্তা ভাগ বাটি লৈছিল - ১ম ভাগত উল্লেখ কৰা শাস্ত্ৰৰ অংশবিলাক বিশ্বাসীসকলক পঢ়িবলৈ দিয়ক।

- শুভবাৰ্ত্তা তেওঁবিলাকে কেনেকৈ জানিলে, বিশ্বাসীসকলক **প্ৰমাণ কৰিবলৈ** কওক।
- তেওঁলোকে প্ৰস্তুত কৰা নাটকখন ল'ৰা-ছোৱালীক পৰিবেশন কৰিবলৈ দিয়ক।
- **প্ৰভুৰ ভোজ** পালন কৰিবলৈ প্ৰকাশিত বাক্য ৩ঃ২০ পঢ়ক আৰু 'দুৱাৰ' চমুকৈ ব্যাখা কৰক।
- মথি ২৪ঃ১৪ একেলগে **মুখস্থ কৰক।**
- দুই বা তিনিজনীয়া দলক একেলগে আঁচনি, প্ৰাৰ্থনা আৰু পৰস্পৰে উৎসাহিত কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.